**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ সহায়ক হোৱাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু কৃষকসকলৰ কল্যাণক অগ্ৰাধিকাৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২। বিশিষ্ট গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ জয়ন্তী উপলক্ষে আজি ৰাষ্ট্ৰীয় গণিত দিৱস পালন কৰা হ'ব।

৩। অৰুণাচল প্ৰদেশৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত শাসনাধিস্থিত বিজেপিয়ে বৃহৎ জয় সাব্যস্ত কৰিছে।

৪। চট্টগ্ৰামত থকা ভাৰতীয় ভিচা আবেদন কেন্দ্ৰৰ সকলো কামকাজ তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বন্ধ কৰি দিয়া হৈছে।

***আৰু***

৫। বিশাখাপট্টনমত অনুষ্ঠিত মহিলা টি-২০ ক্ৰিকেটৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন খেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কৃষকসকলৰ সহায়ক হোৱাকৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে আৰু কৃষকসকলৰ কল্যাণ চৰকাৰৰ অন্যতম অগ্ৰাধিকাৰৰ বিষয়। অসমৰ নামৰূপ সাৰ কাৰখানাত কালি নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই কথা প্ৰকাশ কৰে। অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলত উন্নয়নৰ নতুন যুগৰ সুচনা হোৱাৰ বিষয়ে উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে অসমৰ উন্নয়নৰ যাত্ৰাৰ এয়া আৰম্ভণিহে। ভাষণ প্ৰসঙ্গত তেওঁ অসমক আহোম ৰাজত্বৰ সোণোৱালী দিনবোৰৰ দৰে শক্তিশালী কৰি তোলা হ'ব বুলি উল্লেখ কৰে। নামৰূপৰ নতুন এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি কৃষক ৰাইজক অভিনন্দন জনাই প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়, যে বিকশিত ভাৰতৰ লক্ষ্য প্ৰাপ্তিৰ ক্ষেত্ৰত অন্নদাতাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। শ্ৰী মোদীয়ে কয়, যে বৰ্তমান দেশত ৰাসায়নিক সাৰৰ উৎপাদন ৩০৬ লাখ মেট্ৰিক টনলৈ বৃদ্ধি হৈছে। ২০১৪ চনত এই পৰিমাণ আছিল ২২৫ লাখ মেট্ৰিক টন। কৃষকৰ স্বাৰ্থ সুৰক্ষিত কৰি সাৰ উৎপাদনত সম্পূৰ্ণ আত্মনিৰ্ভৰ হ'বলৈ নতুন নতুন উৎপাদন ক্ষমতা গঢ়ি তোলাৰ বাবে চৰকাৰে অবিৰত প্ৰচেষ্টা চলাই যাব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে প্ৰায় ১১ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলগীয়া নামৰূপৰ এই প্ৰকল্পত বছৰি ১২ লাখ মেট্ৰিক টনতকৈ অধিক সাৰ উৎপাদন হ'ব।

কৃষকসকলৰ হিত সাধনৰ ক্ষেত্ৰত চৰকাৰ অত্যন্ত সংবেদনশীল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে কৃষকসকসকলৰ ওপৰত যাতে অতিৰিক্ত বোজা নপৰে তাৰ বাবে ইউৰিয়া আমদানিৰ ব্যয় চৰকাৰে বহন কৰে। দেশত বছৰি প্ৰয়োজন হোৱা ৩৮০ লাখ মেট্ৰিকটন ইউৰিয়াৰ বিপৰীতে বৰ্তমান ৩০৬ লাখ মেট্ৰিকটন ইউৰিয়া উৎপাদন হয় বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ৰাজ্যখনৰ অৰ্থনীতি উন্নয়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা প্ৰচেষ্টাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জনায়।

০০০০০

ভাৰতৰ এগৰাকী বিশিষ্ট তথা সমগ্ৰ বিশ্বতে স্বীকৃত গণিতজ্ঞ শ্ৰীনিবাস ৰামানুজনৰ জয়ন্তী উপলক্ষে সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হ'ব। বৈজ্ঞানিক প্ৰগতি আৰু দৈনন্দিন জীৱন যাত্ৰাত গণিতৰ গুৰুত্বৰ দিশটোত আলোকপাত কৰি শিক্ষানুষ্ঠান, গৱেষণা প্ৰতিষ্ঠান আৰু শৈক্ষিক মঞ্চসমূহত গণিতৰ এই দিৱস ব্যাপকভাৱে আয়োজন কৰা হ'ব। গণিতৰ ক্ষেত্ৰখনলৈ ৰামানুজনে আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ভাৰত চৰকাৰে ২০১১ চনত প্ৰতি বছৰে ২২ ডিচেম্বৰ দিনটো গণিত দিৱস হিচাপে পালনৰ সিদ্ধান্ত ঘোষণা কৰে। ইয়াৰ পৰৱৰ্তী বৰ্ষটোত অৰ্থাৎ ২০১২ চনত সমগ্ৰ দেশতে গণিতিক শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ৰাষ্ট্ৰীয় গণিত দিৱস উদযাপন কৰা হয়। এটা শতিকাতকৈও অধিক কালজুৰি আধুনিক গণিতত ৰামানুজনৰ গণিত শিক্ষাই প্ৰভাৱ বিস্তাৰ কৰি অহাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰে ২২ ডিচেম্বৰত তেওঁৰ জন্ম দিনটো ৰাষ্ট্ৰীয় গণিত দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০

অৰুণাচল প্ৰদেশৰ স্থানীয় নিকায়ৰ নিৰ্বাচনত শাসনাধিস্থিত বিজেপিয়ে বৃহৎ জয় সাব্যস্ত কৰিছে। যোৱা ১৫ ডিচেম্বৰত অনুষ্ঠিত নিৰ্বাচনত জিলা পৰিষদ আৰু গাঁও পঞ্চায়তৰ গৰিষ্ঠসংখ্যক আসন বিজেপিয়ে লাভ কৰিছে। দলটোৱে লগতে ইটানগৰ পৌৰ নিগমৰ নিৰ্বাচনত ২০ টা ৱাৰ্ডৰ ভিতৰত ১৪ টাতে জয়লাভ কৰিছে। অৱশ্যে পাচিঘাট পৌৰ পৰিষদত আঞ্চলিক দল পিপলছ্ পাৰ্টী অৰুণাচলে আঠটা ৱাৰ্ডৰ পাঁচটা জয়লাভ কৰাৰ বিপৰীতে বিজেপিয়ে এটা আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে এটা ৱাৰ্ডত জয়লাভ কৰে। বিৰোধী দল কংগ্ৰেছে এখনো আসন লাভ কৰিবলৈ সমৰ্থ নহ'ল। অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে দলৰ এই জয়ৰ বাবে ভোটদাতাসকলৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। ৰাজ্যিক নিৰ্বাচন আয়োগে যোৱা নিশা ঘোষণা কৰা চূড়ান্ত ফলাফল অনুসৰি জিলা পৰিষদত বিজেপিয়ে ২৪৫ খন আসনৰ ভিতৰত ১৭০ খন আসন লাভ কৰিছে। ইয়াৰে ৫৯ জন বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়ী হৈছে। পিপলছ পাৰ্টী অব অৰুণাচলে ২৮ খন আসন লাভ কৰি দ্বিতীয় সৰ্ববৃহৎ দল হিচাপে পৰিগণিত হয়। ইপিনে কংগ্ৰেছে কেৱল সাতখন আসনতহে জয়লাভ কৰিবলৈ সমৰ্থ হয়। মেঘালয়ৰ মুখ্যমন্ত্ৰী কনৰাড কে চাংমা নেতৃত্বাধীন নেচনেল পিপলছ্ পাৰ্টীয়ে পাঁচখন আসনত জয়লাভ কৰাৰ বিপৰীতে নিৰ্দলীয় আৰু অন্যান্য প্ৰাৰ্থীয়ে মুঠ ২৩ খন আসন লাভ কৰে। গাঁও পঞ্চায়তৰ নিৰ্বাচনতো বিজেপিয়ে একে ধাৰা অব্যাহত ৰাখি আঠ হাজাৰ ২০৮ খন আসনৰ ভিতৰত ছহেজাৰ ৮৫ খনত জয়লাভ কৰে। ইয়াৰে পাঁচ হাজাৰ ২১১ খন আসনত বিজেপি প্ৰাৰ্থীয়ে বিনা প্ৰতিদ্বন্দ্বীতাৰে জয়লাভ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পঞ্চায়ত নিৰ্বাচনত সুশাসনৰ ৰাজনীতিৰ প্ৰতি সমৰ্থন আগবঢ়োৱাৰ বাবে অৰুণাচল প্ৰদেশৰ জনসাধাৰণক ধন্যবাদ জনায়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে এই জয়ে ৰাজ্যখনৰ ৰূপান্তৰৰ বাবে কাম কৰি যোৱাৰ ভাৱনাক অধিক শক্তিশালী কৰিছে। তেওঁ লগতে জনসাধাৰণৰ মাজত বিৰামহীনভাৱে কাম কৰাৰ বাবে বিজেপিৰ কৰ্মকৰ্তাসকলৰ শলাগ লয়।

০০০০০

বাংলাদেশত থকা ভাৰতৰ সহকাৰী উচ্চায়োগৰ সমীপত শেহতীয়াকৈ হোৱা ঘটনাৰ পৰিপ্ৰেক্ষিতত সুৰক্ষা ব্যৱস্থা বৃদ্ধি কৰাৰ মাজতে কালিৰে পৰা চট্টগ্ৰামত থকা ভাৰতীয় ভিচা আবেদন কেন্দ্ৰৰ সকলো কামকাজ বন্ধ কৰি দিয়া হৈছে। কেন্দ্ৰটোৱে প্ৰকাশ কৰা বিবৃতি অনুসৰি পৰৱৰ্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত চট্টগ্ৰাম কেন্দ্ৰৰ পৰা সকলো ধৰণৰ ভিচাৰ সেৱা বন্ধ থাকিব আৰু সাম্প্ৰতিক পৰিস্থিতিৰ পৰ্যালোচনাৰ পাছতহে পুনৰ সেৱা আৰম্ভ কৰাৰ সন্দৰ্ভত সিদ্ধান্ত লোৱা হ'ব। উল্লেখযোগ্য যে, ভাৰতীয় ভিচা আবেদন কেন্দ্ৰই বাংলাদেশৰ ঢাকা, খোলনা, ৰাজছাহি, চট্টগ্ৰাম আৰু চিলেটত থকা মুঠ

পাঁচটা কেন্দ্ৰত ভিচা সেৱা পৰিচালনা কৰে। চট্টগ্ৰামৰ বাহিৰে বাকী কেইটা কেন্দ্ৰত পূৰ্বৰ দৰে এই সেৱা অব্যাহত থাকিব বুলি বিবৃটোত প্ৰকাশ পাইছে।

ইপিনে দেশখনৰ আৰক্ষীয়ে ইনকিলাব মঞ্চৰ মুখপাত্ৰ শ্বৰীফ ওছমান বীন হাডিৰ হত্যা কাণ্ডৰ মূল অভিযুক্ত ফেইজল কৰীম মাছুডে দেশ এৰি যোৱা সন্দৰ্ভত কোনো ধৰণৰ নিৰ্দিষ্ট তথ্য পোৱা নাই বুলি প্ৰকাশ কৰিছে। আনহাতে মানৱাধিকাৰ সংস্থা আইন ও চালিছ কেন্দ্ৰই শেহতীয়াকৈ মৈমনসিঙত দিপু চন্দ্ৰ দাস নামৰ এজন লোকক বৰ্বৰভাৱে হত্যা কৰা আৰু লক্ষ্মীপুৰৰ আক্ৰমণত এটি ৭ বছৰীয়া কন্যা শিশুৰ মৃত্যুৰ ঘটনাক কঠোৰভাৱে গৰিহণা দিছে। সংস্থাটোৱে এই ঘটনাই আইন শৃংখলাৰ পৰিস্থিতি ধংস হোৱাকে প্ৰতিফলিত কৰে বুলি উল্লেখ কৰি প্ৰশাসনিক আৰু নিৰাপত্তাৰ সৈতে জড়িত বিফলতাৰ তদন্তৰ বাবে আহ্বান জনায়।

০০০০০

আৰাৱলীৰ পৰিৱেশ তন্ত্ৰ ধংস হোৱাৰ ভিত্তিহীন উৰাবাতৰিক নস্যাৎ কৰি চৰকাৰে আৰাৱলীৰ পৰিৱেশ তন্ত্ৰ সম্পূৰ্ণৰূপে অটুট থকা বুলি নিশ্চিত কৰে। এটা প্ৰেছ বিজ্ঞপ্তিত পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ে কয়, যে বনানিকৰণ, জৈৱ সংবেদনশীল অঞ্চলৰ ঘোষণা আৰু খনন তথা নগৰীয়া কাৰ্যকলাপৰ কঠোৰ নীৰিক্ষণৰ বাবে আৰাৱলীৰ পৰিৱেশ তন্ত্ৰ অটুট আছে আৰু ই দেশৰ প্ৰাকৃতিক ঐতিহ্য তথা পৰিৱেশতন্ত্ৰৰ ঢাল হৈ থকাটো নিশ্চিত হৈছে। মন্ত্ৰালয়ে লগতে কয়, যে বৰ্তমান আৰু ভৱিষ্যত প্ৰজন্মৰ বাবে আৰাৱলীৰ পৰিৱেশতন্ত্ৰ সুৰক্ষিত কৰিব লাগিব।

০০০০০

গ্ৰাম্য নিয়োগ নীতি পৰিৱৰ্তনৰ ক্ষেত্ৰত উল্লেখযোগ্য মাইলৰ খুঁটি হিচাপে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি বিকশিত ভাৰত জি ৰাম জী বিধেয়ক ২০২৫ত অনুমোদন জনায়। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ পাছতেই শীতকালীন অধিবেশনত গৃহীত হোৱা বিধেয়কখন আইনত পৰিণত হয়। উল্লেখযোগ্য যে পূৰ্বৰ এম জি এনৰেগা আইনৰ পৰিৱৰ্তে বি ভি জি ৰাম জী বিধেয়কখন অনা হৈছে। ইয়াৰ জৰিয়তে গ্ৰামাঞ্চলৰ নিবনুৱা লোকসকলক ১২৫টা কৰ্মদিনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। এই আইনে গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি উন্নয়ন আৰু দৰিদ্ৰতা নিৰ্মূলৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

বিশাখাপট্টনমত অনুষ্ঠিত মহিলা টি-২০ ক্ৰিকেটৰ পাঁচখনীয়া শৃংখলাৰ প্ৰথমখন খেলত যোৱা নিশা ভাৰতে শ্ৰীলংকাক ৮ উইকেটত পৰাস্ত কৰে। ভাৰতে ১২২ ৰানৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৪ অভাৰ ৪টা বলতে দুটা উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ জেমিমা ৰ'ড্ৰিক্সে সৰ্বাধিক ৬৯ আৰু স্মৃতি মান্ধানাই ২৫ ৰান কৰে। শ্ৰীলংকাৰ কৱা কাবিন্দি আৰু ইনুকা ৰাণাৱেৰাই এটাকৈ উইকেট দখল কৰে। ইয়াৰ পূৰ্বে শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১২১ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ৰিছমি গুণাৰত্নে সৰ্বাধিক ৩৯ ৰান কৰে। ভাৰতৰ হৈ ক্ৰান্তি গৌড়, দীপ্তি শৰ্মা আৰু নাল্লাপুৰেড্ডী চাৰানীয়ে এটাকৈ উইকেট লাভ কৰে। ভাৰতৰ জেমিমা ৰ'ড্ৰিক্সক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে মহিলাৰ টি-২০ বিশ্বকাপৰ প্ৰস্তুতিৰ অংশ হিচাপে শ্ৰীলংকাৰ বিৰুদ্ধে এই পাঁচখনীয়া শৃংখলাত অৱতীৰ্ণ হৈছে। শৃংখলাটোৰ দ্বিতীয়খন খেল কাইলৈ বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত